**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 18-09-2026**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::**

নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা মুঠ ২৫ জন প্ৰাৰ্থীৰ ভিতৰত ৭ জনৰ মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। মনোনয়ন নাকচ হোৱা প্ৰাৰ্থীকেইজন হৈছে নিৰ্দলীয় শ্বাহ আলম, প্ৰণৱ কৌশিক, ৰাবুল হক, খলিলুদ্দিন, চামচুল আলম, আৰু চিকন্দৰ আলি তথা জয়প্ৰকাশ জনতা দলৰ পংকজ মৌৰ্য। প্ৰণৱ কৌশিকে আমানতৰ ধন জমা নকৰা বাবে বাকীসকলে প্ৰপত্ৰ সম্পূৰ্ণ নকৰাৰ বাবে মনোনয়ন পত্ৰ নাকচ হোৱা বুলি ৰিটাৰ্ণিং বিষয়া তথা নগাওঁ জিলা আয়ুক্ত আৰণ্যক শইকীয়াই এটা নিৰ্দেশত উল্লেখ কৰিছে। বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ দি এফৰ বদৰুদ্দিন আজমলকে ধৰি মুঠ ১৭ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয়। আনহাতে, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালামৰ মনোনয়ন দলীয় নিস্পত্তিহীন বিবাদৰ বাবে স্থগিত ৰখা হয়। বাতৰি লিখাৰ পৰলৈকে এই সন্দৰ্ভত জিলা প্ৰশাসনে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই আৰু তেওঁৰ মনোনয়ন পত্ৰ অমিমাংসিত হৈ ৰৈছে। কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০

চিৰাং জিলাৰ আই নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ কেইবাখনো গাঁও প্লাৱিত হৈছে। বানৰ ফলত জিলাখনৰ ছিদলী ৰাজহ চক্ৰৰ অন্তৰ্গত গৰুভাষা অঞ্চলৰ আমিনপাৰা, গৰসিংপাৰা আৰু থাইগেৰগুৰিকে ধৰি কেইবাখনো গাঁও জলমগ্ন হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা নামি অহা পানীৰ ঢলে চম্পাৱতী নৈৰ জলপৃষ্ঠ বৃদ্ধি কৰাত নৈপৰীয়া বহু অঞ্চল প্লাৱিত হয়। অঞ্চলটোৰ কেইবাটাও পকী পথৰ ওপৰেৰে পানী বাগৰাত যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰে। জিলাখনত হঠাৎ হোৱা বানৰ খবৰ লাভ কৰাত বিটিচিৰ কাৰ্যবাহী সদস্য জেমছ বসুমতাৰী, ছিদলীৰ বিধায়ক পানীৰাম ব্ৰহ্ম, জিলা আয়ুক্ত গোকুল চন্দ্ৰ ব্ৰহ্মসহ জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে পৰিস্থিতি পৰ্যবেক্ষণ কৰে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ তৎপৰতাত তাৎক্ষণিকভাৱে সাহায্য আৰু উদ্ধাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। বৰ্তমানলৈকে চিদলী ৰাজহ চক্ৰৰ ৬০ টা পৰিয়াল আৰু বেংতল ৰাজহ চক্ৰৰ ২০৪ টা পৰিয়ালক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰা হৈছে। বানৰ ফলত আন্তঃগাথনি, কৃষি শস্য, অন্যান্য সম্পত্তিৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰা হব বুলি প্ৰশাসনে জনাইছে। অৱশ্যে বৰ্তমান নদীৰ জলস্তৰ ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিছে বুলি প্ৰশাসনৰ ফালৰ পৰা প্ৰকাশ কৰা হৈছে।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে প্ৰৱাসী অসমীয়া দেৱজ্যোতি হাজৰিকাৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া আজি সম্পূৰ্ণ হয়। হাজৰিকাৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া শেষ হোৱাৰ

পাছতে আন এজন প্ৰৱাসী অসমীয়া জিঅ' লাংছাট নাৰ্জাৰী ফাষ্টট্ৰেক আদালতত হাজিৰ হয়। অৱশ্যে সময়ৰ অভাৱৰ বাবে নাৰ্জাৰীৰ সাক্ষ্য আৰু অভিযুক্তপক্ষৰ অধিবক্তাৰ দ্বাৰা জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ নহ'ল। সেই অনুসৰি কাইলৈ পুনৰ নাৰ্জাৰীক আদালতত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০

আজি বিশ্ব বাঁহ দিৱস। পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে প্ৰতিবছৰে ১৮ ছেপ্তেম্বৰৰ দিনটো বাঁহ দিৱস হিচাপে পালন কৰা হয়। ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ অধ্যক্ষ কামেশ ছালামে এই দিৱস উদযাপনৰ সিদ্ধান্ত লৈছিল। এই দিৱস উদযাপনৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন, জলবায়ু পৰিৱৰ্তন ৰোধ কৰা আৰু বহনক্ষম উন্নয়নৰ বাবে নৱীকৰণযোগ্য সম্পদ হিচাপে বাঁহৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই বছৰ বাঁহ দিৱসৰ মূল বিষয়বস্তু হৈছে – 'সীমাৰ পৰিধি ভাঙি বাঁহ'।

উল্লেখযোগ্য যে ভাৰতত থকা ১৩১ বিধ বাঁহৰ প্ৰজাতিৰ ভিতৰত ৫১ বিধেই অসমত হয়। ৰাজ্যখনৰ ৩১ হাজাৰ হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ চৌহদত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্প দেশৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰাৰ পাছতে বাণিজ্যিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব বৃদ্ধি পাইছে।

০০০০

কোকৰাঝাৰৰ মাগুৰমাৰী খেলপথাৰত অনুষ্ঠিত বাওখুংগ্ৰী এম এল এ কাপ ফুটবল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। আজিৰ চূড়ান্ত খেলখনত দতমাই - চাৰিবিলক পৰাস্ত কৰিছে। বিজয়ী দলটোৱে নগদ এক লাখ টকা লাভ কৰাৰ বিপৰীতে বিজিত দলটোৱে ৫০ হাজাৰ টকা লাভ কৰে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ, শ্ৰেষ্ঠ গলকিপাৰ আৰু সৰ্বাধিক গল কৰা প্ৰতিজন খেলুৱৈক ৫০ হাজাৰ টকাৰে পুৰস্কৃত কৰা হয়। এই প্ৰতিযোগিতাত গোসাইগাওঁৰ বিধায়ক সভাৰাম বসুমতাৰী, কোকৰাঝাৰৰ বিধায়ক চিউলি মহিলাৰী, বাওখুংগ্ৰীৰ বিধায়ক ৰূপম চন্দ্ৰ ৰয়, প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰকাশ বসমুতাৰীকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। যুৱ প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰাৰ বাবে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হয়।

০০০০

সমাপ্ত